আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MARCH 09, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭১ | Guwahati, Assam ।। মূল্যঃ এটকা



আদৰণি এনেকৈয়ে... দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## কলিয়াবৰত ‘কা’ৰ বিৰুদ্ধে ভূপেন-অখিল-লুৰীণৰ হুংকাৰ

# প্ৰধানমন্ত্ৰীৰ আগমনৰ দিনাই বিৰোধীৰ প্ৰতিবাদ



ই-সংবাদ, নগাঁও, ৮ মাৰ্চঃ এই জুই জ্বলিছে, জ্বলিবই শ্ল’গানেৰে শুকুৰবাৰে উত্তাল হৈ পৰে নগাঁও জিলাৰ কলিয়াবৰৰ আকাশ-বতাহ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰাৰ দিনটোতে শেষাংশ ২ পৃষ্ঠাত

## কংগ্ৰেছৰ ৩৯ জনীয়া তালিকা প্ৰকাশ, আকৌ ৱায়নাডত খেলিব ৰাহুলে

**নতুন দিল্লী, ৮ মাৰ্চঃ** প্ৰায় ৬০ শতাংশ দলিত, জনজাতীয় আৰু সংখ্যালঘু প্ৰাৰ্থীক অন্তৰ্ভুক্ত কৰি ৰাষ্ট্ৰীয় কংগ্ৰেছে আজি লোকসভা নিৰ্বাচনৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। প্ৰথমখন তালিকাত ৩৯টা সমষ্টিৰ প্ৰাৰ্থীৰ শেষাংশ ৪ পৃষ্ঠাত

## মোদীক পুষ্পবৃষ্টিৰে কাজিৰঙাৰ্লে আদৰণি

### আজি উন্মোচন কৰিব লাচিতৰ প্ৰতিমূৰ্তি

**ই-সংবাদ, ৮ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে আকৌ এবাৰ উন্নয়নৰ বতৰা লৈ অসমলৈ আহিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ভোটাৰক আকৰ্ষিত কৰিবলৈ নৰেন্দ্ৰ মোদীয়ে কৰা এই যাত্ৰাক বিশেষ গুৰুত্বসহকাৰে লৈছে বিজেপিয়ে। বিজেপি দলৰ নেতা-কৰ্মীৰ উৎকণ্ঠাৰ অন্ত পেলাই আজি অসমত ভৰি থলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজি সন্ধিয়া মধ্য অসমত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। শেষাংশ ৩ পৃষ্ঠাত



## সৰ্বাধিক প্ৰদূষিত চহৰ

# শীৰ্ষ স্থানত আছে বৰ্ণিহাট

**ই-সংবাদ, ৮ মাৰ্চঃ** চেণ্টাৰ ফৰ ৰিচাৰ্জ অন এনাৰ্জী এণ্ড ক্লিন এয়াৰ নামৰ সংস্থাৰ এক প্ৰতিবেদনত গুৱাহাটী মহানগৰী আৰু আশ-পাশৰ এলেকাৰ বাবে ভয়াৱহ খবৰ কঢ়িয়াই আনিছে। কেৱল গুৱাহাটীৰ বাবেই নহয় উত্তৰ-পূৰ্ব বাবে শেষাংশ ৪ পৃষ্ঠাত

# চৰকাৰী বিজ্ঞাপন পাব ইউটিউবাৰে

**ই-সংবাদ, ৮ মাৰ্চঃ** ছপা মাধ্যম আৰু বৈদ্যুতিক মাধ্যমক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে চৰকাৰ। শেহতীয়াকৈ ছ’চিয়েল মিডিয়াক জনমত শেষাংশ ৪ পৃষ্ঠাত

# লাচিতক বিকৃত কৰাৰ অভিযোগ ‘লাচিত সেনা’ৰ

**ই-সংবাদ, যোৰহাট, ৮ মাৰ্চঃ** যোৰহাটৰ লাহদৈগড়ত স্থাপন কৰা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্মোচন কৰিবলগীয়া বীৰ লাচিত বৰফুকনৰ আৱক্ষ প্ৰতিমূৰ্তি বিকৃত কৰাৰ অভিযোগ উত্থাপন কৰিছে বীৰ লাচিত সেনা নামৰ শেষাংশ ৫ পৃষ্ঠাত

## আকৌ আছুৰ শপত

# আমি ‘কা’ মানি নলওঁ!

**ই-সংবাদ, ৮ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমত উপস্থিত হোৱাৰ পাছতে জাতি ৰক্ষাৰ সংকল্প ল’লে সদৌ অসম ছাত্ৰ সন্থাই। ‘কা’ আন্দোলনৰ পঞ্চ শ্বহীদক শ্ৰদ্ধাঞ্জলি যাচি ‘কা’ বাতলিৰ দাবী জনাই আজি আছুৱে গুৱাহাটীকে ধৰি বিভিন্ন প্ৰান্তত প্ৰতিবাদ সাব্যস্ত শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ আগমনৰ দিনাই

নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে বিৰোধী ঐক্য মঞ্চই কলিয়াবৰ তিনিআলিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দলসহ আটাইকেইটা বিৰোধী দলৰ শীৰ্ষ নেতাৰ উপস্থিতিত বিভিন্ন শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ প্ৰধানমন্ত্ৰীৰ দুদিনীয়ে কাৰ্যসূচীৰে অসম ভ্ৰমণৰ সময়ত বিৰোধী দলসমূহে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিবলৈ সময় বিচাৰিছিল৷ প্ৰধানমন্ত্ৰীয়ে বিৰোধী দলক সাক্ষাৎ নিদিয়াত ৯ মাৰ্চত প্ৰতিবাদ ঘোষণা কৰিছিল৷ কিন্তু ৯ মাৰ্চত যোৰহাটত প্ৰধানমন্ত্ৰীয়ে বীৰ লাচিত বৰফুকনৰ আৱক্ষ মূৰ্তি উন্মোচন কৰিবলৈ দিন ঠিৰাং কৰাত দুই আহোম সংগঠনৰ আহ্বানত বিৰোধী দলে প্ৰতিবাদৰ দিন আগুৱাই আজি ৮ মাৰ্চত প্ৰতিবাদ সাব্যস্ত কৰে৷ বিৰোধী দলৰ আহ্বানত কেইবা শ লোকে প্ৰতিবাদ জনাই 'কা' অসমত বলবৎ কৰিব নিদিয়াৰ হুংকাৰ প্ৰদান কৰে৷ বিভিন্ন চৰকাৰ বিৰোধী শ্ল'গান দি আকাশ-বতাহ কঁপাই তোলে বিৰোধী দলে৷ লুৰীণজ্যোতি গগৈ, অখিল গগৈ, ভূপেন বৰা, ভৰেন চৌধুৰী, মুনিন মহন্তই প্ৰতিবাদ স্থলীত উদাত্ত কণ্ঠে ভাষণ প্ৰদান কৰে৷ লুৰীণজ্যোতি গগৈয়ে এই যুঁজক অসমীয়া মানুহৰ অস্তিত্ব ৰক্ষাৰ যুঁজ আখ্যা দিয়ে৷ লুৰীণজ্যোতি গগৈয়ে কয় 'এই যুঁজ আমাৰ ভাষা, কৃষ্টি-সংস্কৃতি ৰক্ষাৰ যুঁজ৷ এই যুঁজ অসমীয়া মানুহৰ স্বাধিকাৰ ৰক্ষাৰ যুঁজ৷ অসমৰ মানুহৰ ৰাজনৈতিক অধিকাৰ ৰক্ষাৰ যুঁজ৷ সেই কাৰণেই অসমৰ সকলো জনগণে ৰাজপথলৈ ওলাই অহাটো সময়ৰ দাবী আৰু সময়ৰ প্ৰয়োজনীয়তা৷ এই কথা বুজা দৰকাৰ৷ দিল্লীয়ে অসমৰ মানুহৰ মৰ্মবেদনা নুবুজে৷ ৫ জন মানুহে তেজ দিয়াৰ পাছতো দিল্লীয়ে উপলব্ধি নকৰিলে৷ কেনেকুৱা ভয়বহতা আহিব, খিলঞ্জীয়া মানুহৰ মাটি-ভেটি বিদেশীয়ে লৈ যাব৷ সেই কথা দিল্লী আৰু নৰেন্দ্ৰ মোদীয়ে অনুভৱ কৰা নাই৷ ২০১৪ চনৰ নৰেন্দ্ৰ মোদীৰ ভাষণৰ প্ৰসংগ টানি আনি লুৰীণজ্যোতি গগৈয়ে কয় ''নৰেন্দ্ৰ মোদীয়ে ১৬ মে'ৰ পাছত বিদেশীয়ে অসমৰ পৰা তালি-টোপোলা লৈ যাব লাগিব বুলি কৈছিল৷ কিন্তু আজি বাংলাদেশৰ পৰা বিদেশীয়ে অসমলৈ আহিবলৈ তালি-টোপোলা বান্ধি অসমত প্ৰৱেশৰ বাট মুকলি কৰিছে৷ এই কথা আমি উপলব্ধি কৰিছো৷ মেৰু বিভাজনৰ বীজ ৰোপণ কৰা হৈছে৷ ২০২৪ চনৰ নিৰ্বাচনেই আমাৰ শেষ সংগ্ৰাম৷ শেষ শৰাইঘাটৰ সংগ্ৰাম৷ এই কথা সকলোৱে মনত ৰাখিব৷ বিজেপিৰ প্ৰাৰ্থীয়ে প্ৰতিটো সমষ্টিত 'কা' বিৰোধী আন্দোলনত শ্বহীদ পাঁচগৰাকী শ্বহীদৰ আত্মাৰ বিৰুদ্ধে যুঁজ দিব লাগিব৷ 'কা' আইন জাপি দি অসম চুক্তি সম্পূৰ্ণ ৰূপে নস্যাৎ কৰিছে৷ ৫নং দফা নস্যাৎ কৰা হৈছে৷ দ্বিতীয়বাৰৰ বাবে অসম চুক্তিৰ ৮৫৫ শ্বহীদক বিজেপিয়ে হত্যা কৰিলে৷ ৮৫৫ গৰাকী শ্বহীদ আত্মাৰ বিৰুদ্ধেও বিৰুদ্ধেও এইবাৰ বিজেপিৰ প্ৰাৰ্থীয়ে যুঁজ দিব লাগিব৷ অসমৰ ৪০টা সমষ্টি অবৈধ বিদেশীৰ হাতলৈ যাব৷ আৰু ২৪গৰাকী বিধায়কে হলেই চৰকাৰ হ'ব, মুখ্যমন্ত্ৰী হ'ব৷ বিদেশীৰ হাতত অসমৰ ৰাজনৈতিক অধিকাৰ তুলি দিব খুজিছে৷ এই কথাবোৰ অসমৰ ৰাইজে উপলব্ধি কৰা দৰকাৰ৷ বিনামূলীয়া চাউল আৰু অৰুণোদয় আঁচনিয়ে অসমীয়া জাতি, সমাজৰ ভৱিষ্যত কেতিয়াও সুৰক্ষিত কৰিব নোৱাৰে৷'' ধৰ্মঘটস্থলীত ভাষণ প্ৰদান কৰি অখিল গগৈয়ে কয় যে বিদেশী সমস্যাই আমাৰ অসমীয়া জাতিৰ কঁকাল ভাঙি পেলালে৷ মোগলৰ বিৰোধী যুঁজত আহোমৰ যি ঠাইৰ বেছি গুৰুত্ব আছিল সেই কলিয়াবৰত আজি বিৰোধী দলে প্ৰতিবাদ সাব্যস্ত কৰিছে৷ অসমত 'কা' বলবৎ কৰাটো কেতিয়াও মানি নলওঁ৷ অসমৰ ১৬ বিৰোধী দলে ঐক্যবদ্ধ হৈ যুঁজ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে৷ প্ৰধানমন্ত্ৰী কাজিৰঙালৈ আহিব৷ কিন্তু আমাক লগ নিদিলে৷ বিৰোধী ঐক্য মঞ্চই ৰূপায়ণ কৰা অৱস্থান ধৰ্মঘটত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণ কৰে৷ ভূপেন বৰাই ভাষণত হিমন্ত বিশ্ব শৰ্মাৰ পুৰণি এটা ভাষণ শুনাই৷ হিমন্ত বিশ্ব শৰ্মাই কয় '১৯৭১ চনলৈ যিমান খিনি ৰাখিব লাগে, ৰাখিলো৷ এতিয়া আৰু সামৰ্থ্য, শক্তি নাই৷ আমি আৰু ভৰ ল'ব নোৱাৰো৷ যদি আমি পঠিয়াই দিয়াৰ পাছত পশ্চিমবংগত মমতা বেনাৰ্জীয়ে ৰাখি থয়, তেন্তে আমি কিয় হাগ দিম৷ কিন্তু এটা কথা চাব লাগিব যে তাৰ পৰা যাতে সেইসকল লোক আকৌ অসমলৈ নাহে৷' এই ভাষণ শুনাই প্ৰতিবাদকাৰীক ভূপেন বৰাই কয় যে এইটো ডুপ্লিকেট ভিডিঅ' নহয়৷ এই মানুহজনৰ চৰিত্ৰ আৰু স্বভাৱটোৱে এনেকুৱা৷ ৰাতিপুৱা, গধুলি এটা কয়৷ চোলা সলোৱাদি আদৰ্শ সলাব পাৰে৷ জোতা সলোৱাদি দল সলাব পাৰে৷ মুখৰ ৰং সলাব পাৰে৷ কথা সলাব পাৰে৷ তেওঁ এজন মুখ্যমন্ত্ৰী, যিখন আসনত গোপীনাথ বৰদলৈ বহিছিল৷ গোপীনাথ বৰদলৈয়ে যদি স্থিতি বদলালেহেঁতেন তেন্তে আজি যিটো অসমৰ ভৌগলিক পৰিসীমা, সেই ভৌগলিক পৰিসীমা পালোহেঁতেনে নে? বিমলা প্ৰসাদ চলিহাৰ লগতে বাকী মুখ্যমন্ত্ৰীসকলে নিজৰ স্থিতি সলালেহেঁতেন তেন্তে আজি অসমীয়া জাতীয় জীৱনৰ প্ৰতি কিমান সংকট আহিলহেঁতেন৷ আমি অনুভৱ কৰিব পাৰো৷ আনহাতে ভূপেন বৰাই কয় 'এইজন মুখ্যমন্ত্ৰীয়ে এদিন ৰাহুল গান্ধী, ছোনীয়া গান্ধীৰ আনুগত্য হৈ থাকিম বুলি কৈছিল৷ সেইজন মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীয়ে ৰাস্তাৰে গ'লেও বেয়া পায়৷ যি মুখ্যমন্ত্ৰীয়ে ১৯৭১ চনলৈ বোজা ল'লো, আমি আৰু বোজা ল'ব নোৱাৰো বুলি কৈছিল৷ সেইজন মুখ্যমন্ত্ৰীয়ে কৈছে 'কা' আন্দোলন কৰাসকল অসম বিৰোধী৷'

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীক পুষ্পবৃষ্টিৰে কাজিৰঙালৈ

প্ৰধানমন্ত্ৰীক অসমলৈ উষ্ম আদৰণি জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে৷ তেজপুৰত সেনাৰ বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে বিশেষ কনভয় যোগে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ যাত্ৰা কৰে মোদীয়ে৷ নৰেন্দ্ৰ মোদীয়ে কঁহৰা পোৱাৰ পাছতে পথৰ দাঁতিত থিয় হৈ বিভিন্ন লোকে পুষ্পবৃষ্টি কৰি কাজিৰঙালৈ আদৰণি জনায়৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনৰ সময়ছোৱাত পথৰ দাঁতিত বিভিন্ন জনগোষ্ঠীৰ গোটে গীত-নৃত্য কৰাও দেখা যায়৷ সত্ৰীয় নৃত্যও প্ৰদৰ্শন কৰা দেখা যায়৷ সেই সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে গাড়ীৰ দুৱাৰমুখত থিয় হৈ ৰাইজৰ অভিবাদন গ্ৰহণ কৰে৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰম্পৰাগত গীত-নৃত্যৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ উষ্ম আদৰণি জনাই কঁহৰাবাসীয়ে৷ কাজিৰঙাৰ কহঁৰাস্থিত আৰক্ষী অতিথিশালাত জিৰণি লয়৷ অতিথিশালাতে নৈশ যাপন কৰিব৷ কহঁৰাস্থিত আৰক্ষী অতিথিশালাত নিশা পাৰ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৯ মাৰ্চৰ পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চল দৰ্শন কৰিব মোদীয়ে৷ প্ৰধানমন্ত্ৰীৰ সৈতে সক্ৰিয় দেখা যায় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক৷ বিগত কেইবাটাও দিন ধৰি নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণক লৈ অসম বিজেপিৰ নেতা-কৰ্মী তথা চৰকাৰ ব্যাপক ব্যস্ত হৈ পৰিছিল৷ কেইবাগৰাকী মন্ত্ৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু যোৰহাট জিলাত বাহৰ পাতিছিল৷ খোদ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লৈ আহিছিল৷ নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে দুবাৰকৈ দায়িত্ব ল'লে যদিও কাজিৰঙালৈ প্ৰথমবাৰ আহিছে৷ যাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে৷ কাজিৰঙা উদ্যানৰ অপূৰ্ব প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰাৰ লগতে অসমৰ মান-অভিমান এশিঙীয়া গঁড় স্বচক্ষে প্ৰত্যক্ষ কৰি জীপ ছাফাৰী কৰিব নৰেন্দ্ৰ মোদীয়ে৷ কাজিৰঙা উদ্যান কৰ্তৃপক্ষই এখন বিশেষ বাহনৰো ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে৷ বাহনখনত উঠি প্ৰধানমন্ত্ৰীয়ে বন্য জীৱ-জন্তু স্বচক্ষে প্ৰত্যক্ষ কৰিব৷ তাৰ পাছতে যোৰহাট অভিমুখে ৰাওনা হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ যোৰহাটত উপস্থিত হৈ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব মোদীয়ে। বীৰ লাচিতৰ প্ৰতিমূৰ্তিৰ ৪১ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিৰ লগতে মেলেং-মেটেলি পথাৰত বহুকেইটা আঁচনি মুকলি কৰিব প্ৰধানমন্ত্ৰীয়ে। একেলগে ৫ লাখ ৫৫ হাজাৰ ৫৫৫টা চৰকাৰী প্ৰধানমন্ত্ৰীৰ আৱাস গৃহ উদ্বোধন কৰিব৷ নৰেন্দ্ৰ মোদীয়ে তিনিচুকীয়া মেডিকেল কলেজ মুকলি কৰাৰ লগতে শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপন, ডিগবৈ, গুৱাহাটী তেল শোধনাগাৰৰ প্ৰকল্প মুকলি কৰিব। বাৰাউনী-গুৱাহাটী গেছ পৰিবাহী পাইপ মুকলি, ধূপধৰা-ছয়গাঁও ৰে'লপথ দ্বৈত কৰাৰ কাম শুভাৰম্ভ কৰিব। নিউ বঙাইগাঁও-সৰভোগৰ ৰে'ল পথ মুকলি কৰিব প্ৰধানমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ১০ হাজাৰ লাখপতি বাইদেউ উপস্থিত থাকিবলগীয়া জনসভাত লাখপতি বাইদেউৰ বাবে বুকলেট মুকলি কৰিব মোদীয়ে। অসমৰ কাৰ্যসূচী সামৰি অৰুণাচললৈ যাব প্ৰধানমন্ত্ৰী। অৰুণাচলত দুখন সভাত অংশ লৈ বিয়লি দিল্লীলৈ উভতি যাব৷ ইফালে, প্ৰধানমন্ত্ৰী মোদীৰ আগমনৰ দিনটোতেই কলিয়াবৰত প্ৰতিবাদ সাব্যস্ত কৰে বিৰোধী ১৬ টাকৈ দলে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে বিৰোধী ৰাজনৈতিক দলসমূহে অসমত 'কা' কোনোপধ্যেই প্ৰযোজ্য হবলৈ দিয়া নহব বুলি ৰাজ্য আৰু কেন্দ্ৰ উভয় চৰকাৰক সকীয়াই দিয়ে।

## জীৱনৰ ছবি

■ নিতুৰাণী দেৱী

শ্মশানত জ্বলি থকা
আপোনজনৰ শৰীৰ দেখাৰ পিছত,
কোনেনো নাভাবে
একো নাই এই জীৱনত

সকলো অসাৰ
জীৱনৰ কথা ভাবি ভাবি
কোনেও নাপায় পাৰাপাৰ...

এদিন দুদিন বাগৰে
মৃতজনৰ হাড়ত বন গজে
সকলো কথাই মানুহে পাহৰে
যুজ-বাগৰ, মান-অভিমান,





অধিকাৰৰ লুভীয়া লুভীয়া
হেজাৰ-বিজাৰ কথাবোৰে
এৰাব নোৱাৰা
এই অভ্যাসবোৰে ঠাই সলাই ঠাই লয়
এনেকৈয়ে!
মিছাকৈয়ে!

"জীৱন জীৱন বৰ অনুপম"-
কথাষাৰে ওঁঠতে বাহ লয়

সাতমোন ঘিউৰে মালিছ কৰিলেও
বোলে কুকুৰৰ নেজ চিধা নহয়

কথাষাৰ পিছে মিছা নহয়!
সময় বাগৰে কথাৰ মাজেৰে
সময় বাগৰে কামৰ মাজেৰে

কোনেও নজনাকৈ...
কোনেও নভবাকৈ...
এনেকৈয়ে
ৰিপুবোৰে জীৱন সামৰে...




ওদালগুৰিত এবছুৰে অনুষ্ঠিত কৰা কেন্দ্ৰীয় নাৰী দিৱসৰ এটি দৃশ্য

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শীৰ্ষ স্থানত আছে বৰ্ণিহাট

অশনি সংকেট কঢ়িয়াই আনিছে প্ৰদূষিত বায়ুৱে৷ মাহেকীয়া বায়ু গুণগত মানদণ্ডত ফেব্ৰুৱাৰী মাহত উত্তৰ-পূবৰ চহৰসমূহত বায়ু প্ৰদূষণৰ স্তৰ বৃদ্ধি হোৱাটো চিন্তাৰ কাৰণ হৈ পৰিছে৷ অসম-মেঘালয় সীমান্তৰ বৰ্ণিহাটক ভাৰতৰ আটাইতকৈ প্ৰদূষিত চহৰ হিচাপে চিনাক্ত কৰা হৈছে৷ বৰ্ণিহাট হৈছে অসমৰ ৰাজধানী চহৰ গুৱাহাটী মহানগৰীৰ পৰা কিছু নিলগত৷ যাৰ ভয়াবহ প্ৰভাৱ গুৱাহাটী মহানগৰীত পৰিব৷ বৰ্ণিহাটত মাহিলী গড়ে পিএম২.৫ ঘনত্বৰ ১৮৩ মাইক্ৰ'গ্ৰাম-এমও ৰেকৰ্ড লাভ কৰিছে। বিহাৰৰ দ্বিতীয় আটাইতকৈ প্ৰদূষিত চহৰ আৰাৰিয়াতকৈ প্ৰায় ৬০ মাইক্ৰ'গ্ৰাম-এমও-তকৈ অধিক। বৰ্ণিহাটত পিএম২.৫ৰ স্তৰৰ দৰেই একে সময়তে দিল্লীৰ পিএম২.৫ ঘনত্বৰ প্ৰায় ১.৮ গুণ আছিল। আটাইতকৈ প্ৰদূষিত ৩০ খন চহৰৰ তালিকাত থকা উত্তৰ-পূবৰ আন চহৰ কেইখন হৈছে নলবাৰী, আগৰতলা, গুৱাহাটী আৰু নগাঁও জিলা৷ এই কেইখন চহৰো ভাৰতৰ প্ৰদূষিত ৩০ খন চহৰৰ তালিকাত আছে৷ উত্তৰ-পূবৰ ৰাজ্যবোৰত নিৰন্তৰ পৰিৱেশ তথা বায়ু প্ৰদূষণ হ'ব ধৰিছে৷ বায়ু প্ৰদূষণ নিৰীক্ষণ কেন্দ্ৰৰ নিৰীক্ষণত থকা ১১ খন চহৰৰ ভিতৰত ছয়খনৰ নিৰ্ধাৰিত দৈনিক বায়ুৰ মানদণ্ড উন্নত হৈছে৷ শিৱসাগৰ, শিলচৰ, আইজল আৰু ইম্ফল আটাইতকৈ পৰিষ্কাৰ চহৰত আছে৷ শিৱসাগৰ ভাৰতৰ দ্বিতীয় আটাইতকৈ পৰিষ্কাৰ চহৰ৷ দেশৰ ভিতৰত শিলচৰ ২৩তম স্থানত আছে। অৱশ্যে, এই চহৰসমূহেও পিএম২.৫ৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাৰ ঘনত্ব পূৰণ কৰিব পৰা নাই। চেণ্টাৰ ফৰ ৰিচাৰ্জ অন এনাৰ্জী এণ্ড ক্লিন এয়াৰ নামৰ সংস্থাৰ দক্ষিণ এছিয়াৰ দায়িত্বত থকা সুনীল দাহিয়াই উত্তৰ-পূবৰ ৰাজ্যসমূহত প্ৰদূষণ নিৰ্গমন নিয়ন্ত্ৰণ কৰিবলৈ উন্নত বায়ুৰ মান নিৰীক্ষণ আৰু সক্ৰিয় পদক্ষেপৰ প্ৰয়োজনীয়তা থকা বুলি কয়৷ জনস্বাস্থ্য আৰু অৰ্থনীতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰো কথা উল্লেখ কৰিছে দাহিয়াই৷ প্ৰাচীনকালৰ পৰাই প্ৰকৃতি তথা পৰিৱেশ সংৰক্ষক ৰূপে জনাজাত উত্তৰ-পূবৰ জনজাতীয় ৰাজ্যসমূহত বায়ু প্ৰদূষিত হোৱাটো চিন্তাৰ বিষয়৷ অবৈজ্ঞানিক পদ্ধতিত স্থাপন কৰা অনিয়ন্ত্ৰিত উদ্যোগ, পাহাৰ ধ্বংস, বনভূমি ধ্বংস, কৌটিকলীয়া পৰিবহন ব্যৱস্থা, প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ অভাৱত বায়ু প্ৰদূষিত হ'ব ধৰিছে৷ যথে-মধে ব্যাপকহাৰত নিৰ্মাণে প্ৰদূষণৰ অন্যতম কাৰক আৰু জনস্বাস্থ্যৰ প্ৰতি ভাবুকি হৈ পৰিছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ ৩৯ জনীয়া

নাম ঘোষণা কৰিছে৷ প্ৰাৰ্থী তালিকাত কংগ্ৰেছৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি ৰাহুল গান্ধীৰ নামো আছে৷ ৰাহুল গান্ধীয়ে পূৰ্বৰ সমষ্টি কেৰালাৰ ৱায়ানাডৰ পৰাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব৷ ছত্তীগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভুপেন বাঘেলকো টিকট প্ৰদান কৰিছে৷ ভুপেশ বাঘেলে ৰাজনন্দগাঁও সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব৷ ছত্তীশগড়, কৰ্ণাটক, কেৰালা আৰু তেলেংগানা, মেঘালয়, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰি কংগ্ৰেছে প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। আনহাতে উত্তৰ-পূৰ্বাঞ্চলৰ মেঘালয়, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাৰ আসনসমূহৰো প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে কংগ্ৰেছে৷ মেঘালয়ৰ সংৰক্ষিত শ্বিলং সমষ্টিত জ্যেষ্ঠ নেতা ভিনচেণ্ট এইচ পালা, তুৰাত ছালেং এ চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব। নাগালেণ্ডত এছ চুপংমেৰেম জমিৰ, ছিক্কিমত গোপাল চেত্ৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ত্ৰিপুৰা ৱেষ্টত কংগ্ৰেছে আশীষ কুমাৰ সাহাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেলগে দলটোৱে সাতখন ৰাজ্যৰ ৩৯ জন প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰিছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰী বিজ্ঞাপন পাব

গঠনৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছে জনগণে৷ সামাজিক মাধ্যমত বিভিন্ন বিষয়বস্তুক লৈ বিভিন্ন লোকে কাম কৰি আছে৷ বিশেষকৈ ইউটিউবত বিভিন্ন লোকে ভিডিঅ' তৈয়াৰ কৰা বিভিন্ন সময়ত জনমত গঠন কৰিবলৈ সক্ষম হৈছে৷ ইউটিউবাৰৰ বিভিন্ন সমল সামাজিক মাধ্যমৰ বিভিন্ন প্লেটফৰ্মত মানুহে শ্বেয়াৰ কৰে৷ একাংশ ইউটিউবাৰে চৰকাৰৰ ভুল-ত্ৰুটিসমূহো দেখুৱাই আহিছে৷ ফলত একাংশ ইউটিউবাৰ চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰিছে৷ ছপা মাধ্যম আৰু বৈদ্যুতিক মাধ্যমৰ দৰেই লোকসভা নিৰ্বাচনৰ পূৰ্বে এইসকল ইউটিউবাৰক নিয়ন্ত্ৰণ কৰিব ৰাজ্য চৰকাৰে৷ ক'বলৈ গ'লে এইসকল ইউটিউবাৰক হিতাধিকাৰী কৰিব ৰাজ্য চৰকাৰে৷ ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত এক জাননী প্ৰকাশ কৰিছে৷ যিসকলে ইউটিউবাৰৰ ছাবছক্ৰাইবাৰ ১ লাখৰ ওপৰত আছে সেইসকলে চৰকাৰী বিজ্ঞাপনৰ বাবে আবেদন কৰিব পাৰিব৷ যদি আবেদনৰ পাছত যোগ্য হয় তেন্তে ইউটিউবাৰজনে বিজ্ঞাপন লাভ কৰিব আৰু বিজ্ঞাপন প্ৰচাৰ কৰাৰ বিনিময়ত শকত ধন লাভ কৰিব৷ বিজ্ঞাপন লাভ কৰাৰ পাছতে চৰকাৰৰ গুণ গোৱাত ব্যস্ত হৈ পৰিব ইউটিউবাৰসকল৷ কালিলৈ যিসকল ইউটিউবাৰে বিভিন্ন সমস্যাৰ প্ৰকৃত ছবি দেখুৱাই জনমত গঠন কৰিবলৈ সক্ষম হৈছিল৷ চৰকাৰৰ জনবিৰোধী নীতিক সমালোচনা কৰিছিল৷ সেইসকল ইউটিউবাৰে এতিয়াৰে পৰা সঁচাই-মিছাই চৰকাৰৰ গুণ বসানিব লাগিব৷ অসম চৰকাৰৰ জনসংযোগ বিভাগে প্ৰকাশ কৰা জাননী অনুসৰি ৮ মাৰ্চৰ পৰা আবেদন সমূহ জনসংযোগ বিভাগৰ পৰ্টেলৰ পৰা ডাউনলোড কৰিব পাৰিব৷ ২২ মাৰ্চৰ পূৰ্বে গুৱাহাটীৰ জনসংযোগ কাৰ্যালয়ত আবেদনসমূহ নথি-পত্ৰ সংলগ্ন কৰি জমা দিব লাগিব৷ কেৱল অসমৰ ইউটিউবাৰসকলে চাৰিটা ভাষা বঙালী, অসমীয়া, ইংৰাজী, হিন্দী ভাষাৰ বাবেহে প্ৰযোজ্য হ'ব৷ এক কথাত ক'বলৈ গ'লে ইউটিউবাৰসকলো হিতাধিকাৰী হৈ পৰিব৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাচিতক বিকৃত কৰাৰ

সংগঠনটোৱে৷ দেশৰ প্ৰধানমন্ত্ৰীয়ে লাহদৈগড়স্থিত বীৰ লাচিত মৈডামত বীৰ লাচিতৰ সুউচ্চ প্ৰতিমূৰ্তিৰ উন্মোচন কৰাৰ প্ৰাকমুহূৰ্তত আজি বীৰ লাচিত সেনাই মেলেঙত এক সংবাদমেল সম্বোধন কৰি এই অভিযোগ উত্থাপন কৰে৷ সংগঠনটোৱে বীৰ লাচিতৰ প্ৰতিমূৰ্তি বিকৃত হোৱাৰ অভিযোগ অনাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়৷ ১৭ বাৰকৈ মোগলক পৰাস্ত কৰা যিজন বীৰক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ অৰ্থে লাচিতৰ সুউচ্চ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছে, জনসভাৰ আয়োজন কৰিছে৷ কিন্তু 'কা' বলবৎ কৰিব খোজা চৰকাৰে লাচিতৰ প্ৰতিমূৰ্তি উন্মোচন কৰি নিৰ্বাচনী বৈতৰণী পাৰ হ'ব খোজা বুলি অভিযোগ উত্থাপন কৰিছে লাচিত সেনাই। বীৰজনাৰ প্ৰতি চৰকাৰে দেখুওৱা এই সন্মানক সহাৰি জনাই কেৰল প্ৰধানমন্ত্ৰীৰ আগমণৰ বাবে লাচিতৰ মোমাই কটা গড় নিৰ্মাণৰ দৰে ১৪ বছৰে সম্পূৰ্ণ নোহোৱা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথো দ্ৰুত গতিত নিৰ্মাণ কৰিবলৈ দাবী জনায়৷ সংগঠনটোৱে আৰু কয় যে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথে অসমৰ ভুৱা উন্নয়ন প্ৰদৰ্শন কৰিছে৷ অসম্পূৰ্ণ অংশ বিভিন্ন ব্যৱস্থাৰে ঢাকি ৰাখিবলৈ চেষ্টা কৰিছে। সেয়ে প্ৰধানমন্ত্ৰীৰ আগমনৰ দিনাই সমগ্ৰ অসমবাসীয়ে চৰকাৰৰ এনেবোৰ কাৰ্যৰ বিৰুদ্ধাচৰণ কৰি স্বতঃস্ফূৰ্তভাৱে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰক৷ এই প্ৰতিবাদৰ যোগেদি প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মুখত অসমৰ প্ৰকৃত ছবিখন দাঙি ধৰিব বুলি আশা প্ৰকাশ কৰিছে সংগঠনটোৱে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# আমি 'কা' মানি নলও!

কৰে৷ এই প্ৰতিবাদ সাব্যস্ত কৰি অসমত 'কা' বলবৎ নকৰিবলৈ সকীয়াই দিয়ে আছুৱে৷ গুৱাহাটীত আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি উৎপল শৰ্মা সাধাৰণ সম্পাদক শংকৰ বৰুৱাৰ উপস্থিতিত বন্তি প্ৰজ্বলন কৰা হয়৷ কাৰ্যসূচীত গুৱাহাটী আছুৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতিৰ নেতা-কৰ্মীৰ লগতে শ্বহীদ পৰিয়ালৰ লোক উপস্থিত থাকে৷ বৃহৎ সংখ্যক মহিলা উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰি 'কা' মানি নোলোৱাৰ হুংকাৰ দিয়ে মহিলাসকলে৷ আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই অসমৰ মানুহে 'কা' মানি নলয় বুলি উল্লেখ কৰি কয়ে যে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ ৰাজ্যখনৰ লোকসকলৰ ভৱিষ্যতৰ সৈতে খেলা নকৰিব৷ উত্তৰ-পূবৰ মানুহে কঠোৰভাবে প্ৰত্যাখ্যান কৰাৰ পাছতো বলবৎ কৰিব খুজিলে সমগ্ৰ উত্তৰ-পূবত প্ৰতিবাদ চলি থাকিব৷ আমি ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক কও যে আমি 'কা' গ্ৰহণ কৰা নাছিলো আৰু কেতিয়াও গ্ৰহণ নকৰো৷ সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত 'কা'ৰ বিৰুদ্ধে আন্দোলনৰ পাঁচগৰাকী শ্বহীদক স্মৰণ কৰা হয়৷ সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত চানমাৰি শ্বহীদ উদ্যানত শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি 'কা' বিৰোধিতা কৰি যোৱাৰ সংকল্প লয় আছুৱে। লগতে 'কা'ৰ বিৰুদ্ধে ৰাজপথৰ আন্দোলন আৰু ন্যায়ালয়ৰ যুঁজ অব্যাহত থাকিব বুলিও কয় আছুৱে। কেইবাটাও কাৰ্যসূচী ৰূপায়নৰ বাবে প্ৰধানমন্ত্ৰী অসমত উপস্থিত হোৱাৰ সময়তে 'কা'ৰ বিৰুদ্ধে ৰাজ্যজুৰি বন্তি প্ৰজ্বন কৰে আছুৱে৷ বন্তি প্ৰজ্বলন কৰি 'কা' বলবৎ কৰিব নিদিয়াৰ সকীয়নি প্ৰদান কৰে৷ ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আন্দোলনৰ সময়ৰ আৰক্ষীৰ গুলীত হোৱা শ্বহীদক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে৷ বৰহোলা আঞ্চলিক ছাত্ৰ সন্থা, মাৰ্ঘেৰিটা আঞ্চলিক ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাসহ উজনি-নামনিৰ বিভিন্ন জিলাই এই কাৰ্যসূচী ৰূপায়ন কৰে৷ সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বান মৰ্মে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে এই আন্দোলন ৰূপায়ন কৰে বিভিন্ন দল-সংগঠনে৷ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনত নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত শ্বহীদসকলক পুনৰ সুঁৱৰি বন্তি প্ৰজ্বলন কৰা কাৰ্যক বিজেপিক গুৰুত্ব দিব নে নাই সেয়াই হ'ব লক্ষ্যণীয়৷ কিয়নো আছুকে ধৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ কৰি অহাৰ পাছতো 'কা' বলবৎ কৰিবলৈ আকোঁৰগোজ বিজেপি দল৷ উল্লেখ্য যে, ৩০টা সংগঠনৰ সৈতে যুটীয়াভাৱে ৪ মাৰ্চৰ পৰা ৰাজ্যব্যাপী আন্দোলন ঘোষণা কৰিছিল আছুৱে৷ ৪ মাৰ্চত প্ৰতিখন জিলাত বাইক ৰেলী কৰি আন্দোলন আৰম্ভ কৰাৰ কথা আছিল৷ ৪ মাৰ্চত বাইক ৰেলী, আইনৰ প্ৰতিলিপি দাহ আৰু জোঁৰ সমদল, ৮ মাৰ্চ আৰু ৯ মাৰ্চত নৰেন্দ্ৰ মোদী অসমত থকাৰ সময়তো আন্দোলন কৰাৰ কথা আছিল আছুৱে৷ কিন্তু মেট্ৰিক পৰীক্ষাৰ বাবে ৪ মাৰ্চৰ কাৰ্যসূচী বাতিল কৰিছে আছুৱে৷ আহোম জনগোষ্ঠীৰ সংগঠনৰ আহ্বান মৰ্মে ৯ মাৰ্চত প্ৰধানমন্ত্ৰীয়ে যোৰহাটত লাচিত বৰফুকৰ আৰক্ষ মূৰ্তি উন্মোচন কৰিব বাবেই ৯ মাৰ্চৰ কাৰ্যসূচী আছুৱে বাতিল কৰে৷ ৯ মাৰ্চৰ পুৱা ৬ বজাৰ ১২ ঘণ্টীয়া অনশন কৰাৰ কথা আছিল আছুৰ৷

# মৰিগাঁৱত নাৰী আদালত স্থাপন

**ই-সংবাদ, লাহৰীঘাট, ৮ মাৰ্চঃ** আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ দিনটোতে মহিলা-শিশু বিকাশ বিভাগৰ অন্তৰ্গত মহিলা সবলীকৰণৰ মৰিগাঁও জিলা কেন্দ্ৰৰ উদ্যোগত মৰিগাঁও জিলাত নাৰী আদালতৰ শুভাৰম্ভ কৰা হয়। জিলা প্ৰশাসনৰ সহযোগত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আনুষ্ঠানিকভাৱে নাৰী আদালতৰ শুভাৰম্ভ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নাৰী আদালতৰ শুভাৰম্ভ কৰি আমাৰ সমাজত এগৰাকী নাৰীক ধৰিত্ৰী, আই মাতৃ হিচাপে গণ্য কৰা হয় বুলি কয়। কিন্তু একেখন সমাজতে নাৰীৰ বিৰুদ্ধে অপৰাধ সংঘটিত হয় আৰু নাৰীক শোষণ কৰা হয়। নাৰীয়ে সদায় অৰ্হতা বা যোগ্যতা থাকিলেও নিজক প্ৰতিষ্ঠা কৰিবলৈ সংঘৰ্ষ কৰিবলগীয়া হয়। যিখন সমাজত দেৱী পূজাৰ মাহাত্ম্যৰে নাৰীৰ বন্দনা বিৰাজমান, তেনে এখন সমাজত ন্যায় প্ৰাপ্তিৰ বাবে অথবা নিজৰ অধিকাৰ ৰক্ষাৰ বাবে নাৰীয়ে সংগ্ৰাম কৰিবলগীয়া হোৱাটো অত্যন্ত দুখজনক বুলি কয় দেৱাশীষ শৰ্মাই। দেৱাশীষ শৰ্মাই নাৰী আদালতৰ জৰিয়তে মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধ হ্ৰাস পোৱাৰ লগতে নাৰীয়ে নিজৰ অধিকাৰ আৰু বিভিন্ন আঁচনিৰ বিষয়ে জানিব পাৰিব বুলি আশা প্ৰকাশ কৰে। সমাজৰ নিৰ্যাতিত, নিপীড়িত মহিলাসকলৰ বাবে নাৰী আদালত এক আশীৰ্বাদ ৰূপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে দেৱাশীষ শৰ্মাই। দেশৰ ৯খন জিলাত পৰীক্ষামূলকভাৱে এই প্ৰকল্প হাতত লোৱা হৈছে। মৰিগাঁও জিলাৰ কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ জৰাবাৰী, মণিপুৰ্টুপ আৰু জালুগুটি গাঁও পঞ্চায়ত আৰু মায়ং সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ দেওশাল গাঁও পঞ্চায়তত এই প্ৰকল্প ৰূপায়ন কৰা হ'ব। প্ৰতিখন নাৰী আদালতত মুখ্য ন্যায় সখীসহ ৭ গৰাকী সদস্য থাকিব। ঘৰুৱা হিংসাৰ চিকাৰ হোৱা গাঁৱৰ দুখীয়া, নিৰক্ষৰ মহিলাসকল নাৰী আদালতৰ দ্বাৰা বিশেষভাৱে উপকৃত হ'ব। সৰু-সুৰা সমস্যাৰ ক্ষেত্ৰত আদালত বা আৰক্ষীৰ ওচৰলৈ নোযোৱাকৈ নাৰী আদালততেই সমাধান কৰাৰ বাবে প্ৰয়াস কৰা হ'ব। লগতে নাৰী আদালতত মহিলাসকলে নিজৰ অধিকাৰ আৰু বিভিন্ন চৰকাৰী আঁচনি সন্দৰ্ভত অৱগত হ'ব পাৰিব। আজিৰ সভাত কপিলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া মল্লিকা চমুৱা, জিলা সমাজ কল্যাণ বিষয়া মণিকা বৰঠাকুৰ উপস্থিত থাকে।

# বেংক একাউণ্টক লৈ আকৌ জটিলতাত কংগ্ৰেছ

## বিজেপিয়ে 'বিত্তীয় সন্ত্ৰাস' চলোৱা বুলি দাবী

**ই- সংবাদ, ৮মাৰ্চঃ** ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে আন এক বিপৰ্যয়ৰ সন্মুখীন কংগ্ৰেছ। আয়কৰ আপীল ন্যায়াধিকৰণে কংগ্ৰেছৰ বেংক একাউণ্টৰ বিৰুদ্ধে বিভাগটোৱে গ্ৰহণ কৰা ব্যৱস্থা বন্ধ কৰিবলৈ দাখিল কৰা আবেদন নাকচ কৰিছে। কংগ্ৰেছে আয়কৰ বিভাগে দলটোৰ বেংক একাউণ্টৰ পৰা ৬৫ কোটি টকা উলিওৱাৰ অভিযোগ উত্থাপন কৰিছে। দলটোৰ কৰ বাকী আছিল ১১৫ কোটি টকা। কংগ্ৰেছে কয় যে কৰ ৰিটাৰ্ণৰ বিষয়টো আয়কৰ আপীল ন্যায়াধিকৰণত বিচাৰাধীন হৈ আছে। কংগ্ৰেছে দাবী কৰা মতে, ২০ ফেব্ৰুৱাৰী অৰ্থাৎ মঙলবাৰে কংগ্ৰেছৰ বেংক একাউণ্টৰ পৰা অগণতান্ত্ৰিক পদ্ধতিৰে এই ধন উলিয়াইছিল তথ্য-প্ৰযুক্তি বিভাগে। শুকুৰবাৰে আয়কৰ বিভাগৰ এই কাৰ্যৰ বিৰুদ্ধে দাখিল কৰা আবেদন নাকচ হোৱাৰ পাছত কংগ্ৰেছৰ অধিবক্তা বিবেক টংকাই ন্যায়াধিকৰণত এই নিৰ্দেশ অহা ১০ দিনৰ বাবে পিছুৱাই দিবলৈ আবেদন জনায়। সূত্ৰই জনোৱা মতে, দলটোৱে এতিয়া দিল্লী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব। ইয়াৰ পূৰ্বে ১৬ ফেব্ৰুৱাৰীত কংগ্ৰেছে আয়কৰ বিভাগক দলৰ বেংক একাউণ্ট ফ্ৰীজ কৰাৰ অভিযোগ উত্থাপন কৰিছিল। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় কোষাধ্যক্ষ অজয় মাকেনে সংবাদমেলত কৈছিল যে আয়কৰে যুৱ কংগ্ৰেছ আৰু কংগ্ৰেছ পাৰ্টিৰ পৰা ২১০ কোটি টকা আদায় বিচাৰিছে। কেইঘণ্টামানৰ পাছত আয়কৰ আপীল ন্যায়াধিকৰণে কংগ্ৰেছৰ ফ্ৰ'জেন একাউণ্টৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই দিছিল। এই সন্দৰ্ভত অজয় মাকেনে ১৬ ফেব্ৰুৱাৰীত কৈছিল - "১৪ ফেব্ৰুৱাৰীত আমি তথ্য লাভ কৰিছিলো যে বেংকে দলে প্ৰদান কৰা চেক বন্ধ কৰি দিছে। আমাৰ চেক ক্লিয়াৰ কৰা নাই। কংগ্ৰেছ দলৰ একাউণ্টো ফ্ৰীজ কৰা হৈছে। ইয়াৰ বাহিৰেও ফাণ্ডিং একাউণ্টসমূহো ফ্ৰীজ কৰা হৈছে।" মাকেনে লগতে জনায় যে ২০১৮-১৯ বৰ্ষৰ আয়কৰ ৰিটাৰ্ণৰ ভিত্তিত দলৰ পৰা ২১০ কোটি টকাৰ আদায় বিচৰা হৈছে। বৰ্তমান কংগ্ৰেছৰ হাতত বিদ্যুতৰ বিল পৰিশোধ কৰিবলৈ আৰু কৰ্মচাৰীক দৰমহা দিবলৈও ধন নাই। একাউণ্ট ফ্ৰীজিঙৰ বাবে কেৱল ভাৰত জোড়ো ন্যায় যাত্ৰাই নহয়, দলৰ সকলো ৰাজনৈতিক কাৰ্যকলাপও প্ৰভাৱিত হ'ব বুলি মন্তব্য কৰে অজয় মাকেনে। তেওঁ কয় যে এয়া গণতন্ত্ৰৰ দুৱাৰ ৰুদ্ধ কৰাৰ দৰেই। উল্লেখ্য যে, আয়কৰ ব্যৱস্থা সন্দৰ্ভত বিজেপিয়ে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে কংগ্ৰেছে। কংগ্ৰেছে সমগ্ৰ বিষয়টোক 'ৰাজনৈতিকভাৱে প্ৰৰোচিত' বুলি অভিহিত কৰে। কংগ্ৰেছে বিজেপি চৰকাৰক 'বিত্তীয় সন্ত্ৰাস' চলোৱাৰ অভিযোগ উত্থাপন কৰি প্ৰাথমিক বিৰোধীক 'পক্ষাঘাতগ্ৰস্ত' কৰিবলৈ চেষ্টা কৰা বুলিও অভিযোগ উত্থাপন কৰিছে।



**নাৰী দিৱসৰ দিনটোতে জাতি ৰক্ষাৰ সংকল্প, পঞ্চ শ্বহীদক শ্ৰদ্ধাঞ্জলি যাচি 'কা' বাতিলৰ দাবী মহিলাৰ, গুৱাহাটীত শুকুৰবাৰে**


# নিৰ্বাচনী বণ্ড! এছবিআইৰ আবেদনক লৈ ১১ মাৰ্চত শুনানি

**ই-সংবাদ, ৮মাৰ্চঃ** নিৰ্বাচনী বণ্ডৰ তথ্য নিৰ্বাচন আয়োগক দাখিলৰ সময়সীমা ৩০ জুনলৈ বৃদ্ধিৰ বাবে ষ্টেট বেংক অৱ ইণ্ডিয়াই দাখিল কৰা আবেদনৰ অহা ১১ মাৰ্চত শুনানি গ্ৰহণ কৰিব উচ্চতম ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ পাঁচগৰাকী ন্যায়াধীশৰ এখন সংবিধান বিচাৰপীঠে গ্ৰহণ কৰিব এই আবেদনৰ শুনানি। উল্লেখ্য যে, ইতিমধ্যে নিৰ্বাচনী বণ্ড আঁচনিখনক অসাংবিধানিক বুলি ঘোষণা কৰিছে আদালতে। মন কৰিবলগীয়া যে, উচ্চতম ন্যায়ালয়ে ভাৰতীয় ষ্টেট বেংকক ২০২৪ চনৰ ৬ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক নিৰ্বাচনী বণ্ডৰ তথ্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিছিল। ইফালে আবেদনকাৰী এছ'চিয়েশ্যন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছেও ষ্টেট বেংকৰ বিৰুদ্ধে অৱমাননামূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে। ১৫ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ড আঁচনিখন অসাংবিধানিক বুলি অভিহিত কৰি বাতিল কৰিছিল। আদালতে ভাৰতীয় ষ্টেট বেংকক ৬ মাৰ্চৰ ভিতৰত এই বণ্ডসমূহৰ সৈতে জড়িত সবিশেষ তথ্য প্ৰদান কৰিবলৈ কৈছিল যদিও বেংকটোৱে ৩০ জুনলৈকে সময়সীমা বৃদ্ধিৰ অনুৰোধ জনাই উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে।

## খালিস্তানীক দূৰ সংযোগী সঁজুলি যোগান

# সৰিয়হৰ ডুলিতে ভূত! ডিব্ৰুগড় কাৰাগাৰৰ অধীক্ষকক গ্ৰেপ্তাৰ





**ই- সংবাদ, ৮মাৰ্চঃ** কাৰাগাৰৰ ভিতৰত বিচ্ছিন্নতাবাদী খালিস্তানৰ সমৰ্থকক সহায় কৰাৰ অভিযোগত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক নৃপেন দাসক গ্ৰেপ্তাৰ কৰা হৈছে৷ ডিব্ৰুগড় কাৰাগাৰত বন্দী খালিস্তানৰ সমৰ্থক অমৃতপাল সিং আৰু সহযোগীসকলক ইলেকট্ৰিক ডিভাইচ যোগান ধৰাৰ অভিযোগত ৭ মাৰ্চৰ নিশা অধীক্ষক নৃপেন দাসক গ্ৰেপ্তাৰ কৰা বুলি জানিব পৰা গৈছে৷ কাৰাগাৰত বিভিন্ন ইলেকট্ৰনিক ডিভাইজ উপলব্ধ হোৱাত কাৰাগাৰৰ পৰাই অমৃতপাল সিং আৰু সহযোগীসকলে সংগঠনৰ কাম কৰি গৈছিল৷ সামগ্ৰীসমূহ উদ্ধাৰৰ পাছতে৮৪/২৪ নম্বৰত গোচৰ পঞ্জীয়ন কৰা হৈছিল৷ ১২০ বি, বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ ধাৰা ১৩(১)(খ), আৰু অসম কাৰাগাৰ আইনৰ ধাৰা ৭৫ত গোচৰ ৰুজু কৰা হৈছিল৷ আনহাতে, অমৃতপাল সিঙ আৰু সহযোগীসকলৰ কোঠা, বাথৰুমত গোপন কেমেৰা লগোৱাৰো অভিযোগ উত্থাপন হৈছিল৷ যাৰ বাবে মানৱ অধিকাৰ উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰি অমৃতপাল সিঙৰ পিতৃ-মাতৃ আৰু পৰিয়ালে পঞ্জাৱত ধৰ্মঘট কৰিছিল৷ ইপিনে অমৃতপাল সিঙ আৰু সহযোগীসকলে কাৰাগাৰৰ ভিতৰত অনশন কৰা বুলিও জানিব পৰা গৈছিল৷ বন্দী অমৃতপাল সিঙৰ জিম্মাৰ পৰা নিষিদ্ধ সামগ্ৰী উদ্ধাৰ হোৱাত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে কাৰাগাৰৰ অধীক্ষকৰ বিৰুদ্ধে তদন্ত ঘোষণা কৰিছিল। ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক ভি.ভি ৰাকেশ ৰেড্ডীয়ে কয় যে কাৰাগাৰৰ চৌহদৰ ভিতৰত চলোৱা অভিযানত দূৰ সংযোগী সঁজুলি যেনে মোবাইল ফোন, হেডফোন আদি অবৈধ সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। ফলত আৰক্ষীয়ে এক বিস্তৃত তদন্ত আৰম্ভ কৰিছিল৷ এই ঘটনাৰ সৈতে কোন জড়িত আৰু বন্দীৰ সৈতে কোনে সম্পৰ্ক ৰক্ষা কৰিছে সেই কথা পোহৰলৈ আনিবলৈ তদন্ত কৰা হৈছিল। আৰক্ষী অধীক্ষক ভি.ভি ৰাকেশ ৰেড্ডীয়ে অবৈধ কামত সহায় কৰাত প্ৰমাণ পোৱাত ব্যৱস্থা ল'বলৈ বাধ্য হৈছিল বুলি কয়। ৰেড্ডীয়ে এনে কাৰ্যকলাপৰ দ্বাৰা উদ্ভৱ হ'ব পৰা সাম্ভাব্য ভাবুকি আৰু পৰিস্থিতিৰ কথা উল্লেখ কৰিছে৷ বিশেষকৈ কাৰাগাৰৰ ভিতৰত ৰাষ্ট্ৰীয় সুৰক্ষা আইনত অধীনত বন্দীৰ উপস্থিতিৰ বাবেই সাম্ভাব্য ভাবুকি আৰু পৰিস্থিতিক লৈ গুৰুত্ব দিয়া হৈছিল। কাৰাগাৰৰ প্ৰটকল ভংগ কৰা আৰু বেআইনীভাৱে সহায় কৰাৰ ক্ষেত্ৰত অধীক্ষক জড়িত থকাৰ বিষয়টোৱে আইন-শৃংখলা আৰু ৰাষ্ট্ৰীয় সুৰক্ষাক লৈ গুৰুতৰ উদ্বেগ সৃষ্টি হৈছিল বুলিও কয় আৰক্ষী অধীক্ষক ৰেড্ডীয়ে। বন্দী আৰু বাহ্যিক যোগাযোগ ধৰা পেলাবলৈ আৰক্ষীয়ে কোনো ধৰণৰ প্ৰয়াস কৰা নাছিল আৰু অধীক্ষক জড়িত থকাটো নিশ্চিত কৰিববলৈ ফৰেণচিকৰ সহায় লোৱা হ'ব৷ অনশনৰত বন্দীসকলৰ প্ৰসংগ উল্লেখ কৰি নিয়মীয়া চিকিৎসাৰ লগতে স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা বুলিও কয় আৰক্ষী অধীক্ষক ভিভি ৰাকেশ ৰেড্ডীয়ে৷

## সংসদলৈ মিঞা ভাষা লৈ যোৱাৰ প্ৰতিশ্ৰুতি আজমলৰ

# আলিমৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি নিঃশেষ হৈছে কংগ্ৰেছ!



**ই-সংবাদ, লাহৰীঘাট, ৮ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ লেলাবড়ী শান্তিপুৰ বজাৰত ইউডিএফ প্ৰধান বদৰুদ্দিন আজমলৰ উপস্থিতিত নিৰ্বাচনী সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আৰু জাগীৰোড সমষ্টি সমিতিৰ সহযোগত নগাঁও লোকসভা সমষ্টিৰ ইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামৰ হকে প্ৰচাৰৰ বাবে অনুষ্ঠিত সভাত আজমলে শাসকীয় বিজেপি দল আৰু মুখ্য বিৰোধী কংগ্ৰেছ দলক লক্ষ্য কৰি লয়। কংগ্ৰেছ দলৰ বৰ্তমানৰ অৱস্থাৰ কাৰণ বিশ্লেষণ কৰি কয় আজমলে আলিমৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি কোনো সাৰি যাব নোৱাৰে বুলি কয়। কংগ্ৰেছক উদ্দেশ্যে ধৰ্মৰ পাঠ দি আজমলে কয় যে আলিমৰ বিৰুদ্ধে কোনোবাই যুদ্ধ কৰিলে, তেনে যোদ্ধাক যুদ্ধৰ বাবে আহ্বান কৰে আল্লাই। যেতিয়া আল্লাই আলিমৰ দায়িত্ব লয়, তেতিয়া আলিমৰ সৈতে যুদ্ধ ঘোষণা কৰাজনে কৰুণ পৰিণতিৰ ফল ভুগিব লগা হয়। নিজকে আল্লাৰ বান্দা বুলি দাবী কৰি আজমেল কয় যে তিনি-চাৰি মাহৰ আগতে কংগ্ৰেছে মোক অসমৰ ৰাজনীতিৰ পৰা বিদায় দিম বুলি কৈছিল। তাৰ চৰম পৰিণতি কংগ্ৰেছে ভোগ কৰিব লগা হৈছে। কংগ্ৰেছীয়ে কেতিয়াও নামাজ নপঢ়ে, আল্লাক ভয় নকৰে আৰু সেইবাবে আলিমৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। সেয়া আল্লাই কেনেকৈ সহ্য কৰিব। কংগ্ৰেছ কিয়, আল্লাৰ বাদে আজমলক কোনেও নিঃশেষ কৰিব নোৱাৰে। আজমলক তুচ্ছ-তাচ্ছিল্য কৰাটো স্বয়ং আল্লাই সহ্য নকৰিলে। তাৰ পৰিণতি ভুগিছে কংগ্ৰেছে। ২০২৬ চনলৈ অসমত ৰাজনীতিত কংগ্ৰেছৰ অস্তিত্বই নাথাকিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ হাতত থকা কংগ্ৰেছী নেতাৰ দীঘল তালিকাত এতিয়াও বহু জনৰ নাম আছে। শাসকীয় বিজেপি দলটোক জাতিৰ শত্ৰু, ধৰ্মৰ শত্ৰু, মাদ্ৰাছাৰ শত্ৰু বুলি অভিহিত কৰে আজমলে। বদৰুদ্দিন আজমলক ইউডিএফৰ সাংসদে পাৰ্লিয়ামেণ্টত কি ভাষাত কথা কব বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত হিন্দী, ইংৰাজী চব কবা কিন্তু তাৰ মাজতে ইউডিএফৰ সাংসদে মিঞা ভাষাই স্থান লাভ কৰিব বুলি দাবী কৰি আজমলে।

## শুক্লাইত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস পালন

**ই-সংবাদ, শুক্লাই, ৮ মাৰ্চঃ** আজি ওদালগুৰি জিলাৰ শুক্লাইত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰা হয়। ওদালগুৰি জিলা গোৰ্খা সন্মিলনৰ মহিলা কোষৰ উদ্যোগত বৰঙাজুলি প্ৰাথমিক বিদ্যালয়ত পালন কৰা নাৰী দিৱসত জিলা গোৰ্খা সন্মিলনৰ মহিলা প্ৰকোষ্ঠৰ সভাপতি হিৰা মিশ্ৰৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। অসম গোৰ্খা সন্মিলনৰ উপ-সভানেত্ৰী কল্পনা শৰ্মাই সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অপ-সংস্কৃতি নাশ কৰি এখন সুস্থ সবল সমাজ গঠনত মহিলাসকলক আগভাগ লবলৈ আহ্বান জনায়। সভাত অংশ লৈ মেঘালয়ৰ গোৰ্খা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ডঃ অৰুণা বেদলংকাই সমাজ গঠনত নাৰীৰ ভূমিকা আৰু কৰণীয়ক লৈ গঠনমূলক বক্তব্য আগবঢ়ায়। সভা আঁতধৰে জিলা সমিতিৰ সম্পাদিকা তামন্না শৰ্মাই।

## বাল্যবিবাহ, ডাইনী হত্যাবন্ধ হ'ব লাগিবঃ দ্বীপেন বড়ো

# ওদালগুৰিত এবছুৰ কেন্দ্ৰীয় নাৰী দিৱস পালন

**ই-সংবাদ, ওদালগুৰি, ৮ মাৰ্চঃ** "সমাজৰ পৰা মানৱ সৰবৰাহ নাৰী সৰবৰাহ বন্ধ হ'ব লাগিব, ডাইনী হত্যা বন্ধ হ'ব লাগিব, বাল্যবিবাহ বন্ধ হ'ব লাগিব লগতে নাৰীসকলে সমাজত সমতাৰে জীৱন নিৰ্বাহ কৰিব লাগিব।"- এই মন্তব্য নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৰ। সংগঠনটোৱে ওদালগুৰি জিলা এবছুৰ সহযোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ওদালগুৰি মহাবিদ্যালয় চৌহদত নাৰী দিৱস পালন কৰে। সেই অনুসৰি আজি পুৱা এবছুৰ পতাকা উত্তোলন কৰে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৱে। ইয়াৰ পাছতে বড়ো জাতিৰ পিতা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তথা পুষ্পাঞ্জলি অৰ্পন কৰা হব। প্ৰথমগৰাকী বড়ো মহিলা শ্বহীদ গাইদে বসুমতাৰী আৰু হেলেনা বসুমতাৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তথা পুষ্পাঞ্জলি অৰ্পন কৰা হয়। পুৱা প্ৰায় ৯ বজাত কেইৱাগৰাকীও বিশিষ্ট আমন্ত্ৰিতলোকৰ উপস্থিতিত ঐক্য আৰু শান্তিৰ হকে পাৰ চৰাই আৰু বেলুন উৰুওৱা হয়। ১০ বজাত উলিওৱা হয় এক সজাগতা সমদল। যি সমদলত হাতে হাতে প্লেকাৰ্ড লৈ কেইৱা শতাধিক মহিলাই "মহিলাৰ বিৰুদ্ধে অন্যায় বন্ধ কৰক, মানৱ সৰবৰাহ বন্ধ কৰক, বাল্যবিৱাহ বন্ধ কৰক, ডাইনী হত্যা বন্ধ কৰক" ইত্যাদি শ্লোগান প্ৰদান কৰে। সমদলৰ অন্তত বড়ো মাতৃ সন্থাৰ আহ্বায়ক লীলা বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত "অৰ্থনৈতিক আৰু শিক্ষাৰ ন্যায়ৰ দ্বাৰা মহিলা সৱলীকৰণ" শীৰ্ষক মুকলি সভা উদ্বোধন কৰে এবছুৰ কেন্দ্ৰীয় সভাপতি গৰাকীয়ে। উক্ত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাহিত্য অকাডেমী প্ৰাপক ড° ৰীতা বড়োৱে উপস্থিত মহিলাসকলক উদ্দেশ্যি সাৱলীল ভাষণ প্ৰদান কৰে। তেওঁ বিভিন্ন উৎসাহজনক ভাষণেৰে মহিলাসকলৰ মনত প্ৰেৰণা দিয়াৰ চেষ্টা কৰে। উক্ত মুকলি সভাতে বিভিন্ন ক্ষেত্ৰত গৌৰৱ কঢ়িওৱা বড়ো জনগোষ্ঠীৰমহিলাসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। আজিৰ নাৰী দিৱসৰ কাৰ্যসূচীত সাহিত্য অকাডেমী প্ৰাপক নবীন মল্ল বড়ো, নন্দেশ্বৰ দৈমাৰী, ওদালগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লুক দৈমাৰী, এবছুৰ উপসভাপতি খৌৰমদাও ৱাৰী, সমাজকৰ্মী ড° ঘৃতাশ্ৰী ভূঞাৰ লগতে কেইৱাগৰাকীও বিশিষ্ট অতিথি উপস্থিত থাকে। আজিৰ এই নাৰী দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৱে সাংবাদিকৰ আগত কয় "নাৰীসকলক আমি সন্মানৰ দৃষ্টিৰে চোৱা উচিত। বিভিন্ন ক্ষেত্ৰত নাৰীসকলৰ ওপৰত অত্যাচাৰ চলোৱা বা অপমানিত কৰাটো অনুচিত। আজিৰ নাৰীসকল পুৰুষৰ সমানে আগবাঢ়ি আহিছে। আনকি বিভিন্ন ক্ষেত্ৰত পুৰুষৰ ওপৰত গৈও নাৰীসকলে আমাৰ বাবে দেশৰ বাবে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গতিকে নাৰীসকলক আমি অৱহেলাৰ দৃষ্টিৰে চোৱাটো বাদ দিব লাগে। কি অৰ্থনৈতিক, কি সামাজিক, কি ৰাজনৈতিক সকলো দিশতে আজিৰ নাৰীয়ে সফলভাৱে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। গতিকে আজিৰ নতুন প্ৰজন্মৰ ছাত্ৰী-যুৱতীসকল যাতে বেয়া পথত যাব নোৱাৰে তাৰ বাবেও আমি দৃষ্টি ৰাখিব লাগে। ইতিমধ্যে আমি এইক্ষেত্ৰত সময়ে সময়ে সজাগতা সভাও অনুষ্ঠিত কৰি আহিছো। ইয়াৰ বাবে আমি শিক্ষাৰ বিপ্লৱৰ সূচনাও কৰিব লাগিব। আমি বড়োফাৰ আদৰ্শ আগত ৰাখি আগবাঢ়িব লাগিব। আজিৰ সমাজৰ মহিলাসকলক বাদ দি দেশখন আগবাঢ়িব নোৱাৰে। মহিলাসকল আগ বাঢ়িলেহে আমাৰ সমাজখন, আমাৰ দেশখন আগবাঢ়ি যাব। মৰহি যোৱাৰ উপক্ৰম হৈছে।

# মৈৰাবাৰীৰ হাতীমূৰীয়াত আন্তৰ্জাতিক নাৰী দিৱস পালন

**ই-সংবাদ, মৈৰাবাৰী ৮ মাৰ্চঃ** আজি ৮ মাৰ্চ। আন্তৰ্জাতিক নাৰী দিৱস। বিভিন্ন প্ৰান্তৰ লগতে মৈৰাবাৰীৰ হাতিমূৰীয়াৰ আদৰ্শ ক্লাৱৰ কাৰ্যালয় প্ৰাংগনত এখন সজাগতা সভা অনুষ্ঠিত হয়। আদৰ্শ ক্লাৱৰ সভাপতি ইক্ৰামুল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত মৰিগাঁও জিলাৰ ৱৰিয়ৰ্চৰ সভানেত্ৰী মিছিৰা বেগম, প্ৰাক্তন শিক্ষক তথা অসম সাহিত্য সভাৰ আজীৱন সদস্য আলহাজ কমৰল ইছলাম, জ্যেষ্ঠ সাংবাদিক ছামচুল আলম, ভাৰত স্কাউট এণ্ড গাইডৰ মৰিগাঁও জিলাৰ সম্পাদক আজহাৰ উদ্দিন আহমেদ, শিক্ষক আলহাজ কমৰুল ইছলাম, পদপথৰ পুথিভঁৰালৰ মুখ্য উদ্যোক্তা আবুল হুছেইন উপস্থিত থাকে।

## কনিষ্ঠ আয়ুক্ত কনছাম খেড়া সিং নিৰুদ্দেশ, সৰ্বত্ৰে চাঞ্চল্য

# অশান্ত মণিপুৰৰ পৰা পুনৰ সেনা বিষয়াক অপহৰণ






**ই-সংবাদ, কোকৰাঝাৰ, ৮ মাৰ্চঃ** মণিপুৰৰ পৰা পুনৰ অপহৰণ হ'ল এগৰাকী সেনা বিষয়া। বিগত বৰ্ষৰ মে'ৰ পৰা উত্তৰ-পূবৰ ৰাজ্যখনত অব্যাহত থকা হিংসাত্মক পৰিস্থিতিৰ মাজতে শুকুৰবাৰে পুৱা প্ৰায় ৯ বজাত থৌবাল জিলাৰ নিজা বাসগৃহৰ পৰা এখন অহানত অহা অচিনাক্ত দুস্কৃতিকাৰীয়ে অপহৰণ কৰে সেনা বিষয়াগৰাকীক। অপহৃত সেনা বিষয়াগৰাকী কনিষ্ঠ আয়ুক্ত হিচাপে নিযুক্ত কনছাম খেড়া সিং বুলি জানিব তেওঁ মণিপুৰৰ লিমাখঙৰ ডিফেন্স চাৰ্ভিচ কৰ্পছ (ডিএছচি)ত নিযুক্ত হৈ আছিল। ভাৰতীয় সেনাই জনোৱা মতে, অপহৰণ আৰু হত্যাৰ সময়ত ইম্ফল পশ্চিমৰ নিজা ঘৰত ছুটীত আছিল চেৰটো থাংথং কম। ইফালে সেই ঘটনাৰ দুমাহৰ পাছতে চুৰাচান্দপুৰৰ পাহাৰীয়া জিলাৰ পৰা লিমাখংলৈ এখন এছ ইউ ভি পৰা গৈছে। নিৰাপত্তা প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি, সেনা বিষয়াগৰাকীৰ অপহৰণৰ পিছতে ১০২ নং ৰাষ্ট্ৰীয় ঘাইপথত ব্যাপক তালাচী অভিযান অব্যাহত ৰখা হৈছে। অৱশ্যে বিষয়াগৰাকীক কি কাৰণে অপহৰণ কৰা হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। প্ৰণিধানযোগ্য যে, প্ৰায় ১০ মাহ পূৰ্বে মণিপুৰত আৰম্ভ হোৱা জাতিগত হিংসাৰ পৰিস্থিতিৰ মাজত এয়া হৈছে অপহৰণৰ চতুৰ্থ ঘটনা। ইয়াৰ পূৰ্বে ২০২৩ৰ ছেপ্টেম্বৰ মাহত সশস্ত্ৰ সংগঠনে অপহৰণ কৰি হত্যা কৰিছিল অসম ৰেজিমেণ্টৰ প্ৰাক্তন জোৱান চেৰটো থাংথাং কমক। গাড়ীৰে গৈ থকা অৱস্থাত এটা অচিনাক্ত সশস্ত্ৰ সংগঠনে চাৰিজন লোকক অপহৰণ কৰি পৰৱৰ্তী সময়ত হত্যা কৰে। চাৰিওজনেই আছিল জম্মু-কাশ্মীৰত কৰ্মৰত ভাৰতীয় সেনাৰ এজন জোৱানৰ পৰিয়ালৰ সদস্য। এই সময়ছোৱাত সৈনিকজনৰ পিতৃ পলায়ন কৰাত সফল হয়। আনহাতে যোৱা ২৭ ফেব্ৰুৱাৰীত ইম্ফল চহৰৰ পৰা অপহৰণ কৰা হৈছিল এজন অতিৰিক্ত আৰক্ষী অধীক্ষকক। এই গোচৰত আক্ৰমণকাৰীক আৰামবাই টেংগোল বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। এই ঘটনাৰ পিছত মণিপুৰ পুলিচ কমাণ্ডোৱে ইম্ফল আৰু অন্যান্য অঞ্চলত প্ৰতীকী প্ৰতিবাদৰ আয়োজন কৰে। ৰাজ্যখনৰ হিংসা উত্তেজনা মাৰ নৌযাওতেই আন এগৰাকী সেনা বিষয়াৰ অপহৰণৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## উৰিয়ামঘাটত এলআইচিৰ বীমা সজাগতা শিবিৰ

**ই-সংবাদ, সৰুপথাৰ, ৮ মাৰ্চঃ** আজি গোলাঘাট জিলাৰ সৰুপথাৰ উৰিয়ামঘাটত ভাৰতীয় জীৱন বীমা নিগমৰৰ বীমা সজাগতা শিবিৰ অনুষ্ঠিত হয়। ভাৰতীয় জীৱন বীমা নিগমৰ যোৰহাট মাণ্ডলিক কাৰ্যালয়ৰ অন্তৰ্গত গোলাঘাট শাখা আৰু সৰুপথাৰ উপ-শাখাৰ বিষয়া উপস্থিত থাকি জীৱন বীমা আঁচনিসমূহৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ নিষ্পত্তিৰ কথা উল্লেখ কৰে। সজাগতা শিবিৰত অঞ্চলটোৰ শতাধিক বীমা উপভোক্তাক নতুন আঁচনিৰ বিষয়ে অৱগত কৰাৰ লগতে দীৰ্ঘদিনীয়া জটিল বীমা দাবী নিষ্পত্তি, শুধৰণি, এনএফটি সংযোগ সন্দৰ্ভত অৱগত কৰে৷ শিবিৰত উপস্থিত থাকে ভাৰতীয় জীৱন বীমা নিগম গোলাঘাট শাখাৰ এ.বি.এম মাধৱ চন্দ্ৰ বোৰাগোঁহাই, ক্লেমচ ডিৰ্পাটমেণ্টৰ শিৱশঙ্কৰ নন্দি, দিব্যজিৎ দাসকে ধৰি কেইবাগৰাকীও উপস্থিত থাকে।

# জালুগুটিত একশৰণ ভাগৱতী সমাজৰ সোণালী জয়ন্তী মহোৎসৱ

**ই-সংবাদ, লাহৰীঘাট, ৮মাৰ্চঃ** মৰিগাঁও জিলাৰ জালুগুটিৰ শ্ৰীশ্ৰী পুৰুষোত্তম ঠাকুৰ আতা ক্ষেত্ৰত আৰম্ভ হৈছে একশৰণ ভাগৱতী সমাজৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি মহোৎসৱ। ৯ মাৰ্চৰ পৰা ১৩ মাৰ্চলৈকে পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তীলৈ ভকত বৈষ্ণৱসকলৰ আগমন ঘটিছে। ডেৰ লক্ষাধিক ভকত বৈষ্ণৱৰ সমাগম ঘটিব বুলি জানিবলৈ দিয়ে সমাজৰ প্ৰধান সচিব জ্যোতিপ্ৰসাদ দাসে। যুগদ্ৰষ্টা, যুগনায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মৰ একান্ত সাধক, বৈষ্ণৱ পণ্ডিত আচাৰ্য ইলাৰাম দাস বাপ ঈশ্বৰে সমগ্ৰ অসমতে প্ৰথমে মহাপুৰুষীয়া পালনাম সমাজ, শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু পৰৱৰ্তীকালত ১৯৭৩ চনত একশৰণ ভাগৱতী সমাজ প্ৰতিষ্ঠা কৰিছিল। ৰাজ্যখনত আধ্যাত্মিক প্ৰেম অমৃতৰ নদীখন পুনৰ বোৱাই থৈ যোৱা একশৰণ ভাগৱতী সমাজে এইবেলি ৫১ বৰ্ষত উপনীত হৈছে। সমাজে সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি মহোৎসৱত ৯ মাৰ্চৰ পুৱা প্ৰাতঃ প্ৰসংগ, পৰিবেশ নিকাকৰণ, বৃক্ষ ৰোপণৰ পিছতে ১০ বজাত সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজৰ উদ্যোগত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। দুপৰীয়া ভকত আদৰণি, আবেলি ১ বজাত সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আৰু ৫ বজাত সতী ৰাধিকা আই-মাতৃ সেৱা সমাজ, অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। একেদৰে ১০ মাৰ্চৰ পুৱা ৮-৩০ বজাত ধৰ্ম ধ্বজা উত্তোলন, ইয়াৰ পাছতে সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা, দুপৰীয়া তোৰণ উন্মোচন, আবেলি ১ বজাত একশৰণ ভাগৱতী সমাজ, অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই। নিশা ৯-৩০ বজাত শিল্পী জয়ন্ত হাজৰিকা স্মৃতি ৰঙ্গমঞ্চত 'নৃ-সিংহ মুৰাৰি' নাটক পৰিবেশন কৰিব উত্তৰ লক্ষীমপুৰ ঘাৰমৰাৰ অভিযান ভাওনা গোষ্ঠীয়ে। ১১ মাৰ্চৰ পুৱা ১০ বজাত তৰুণ বিদ্যাৰ্থীসমাজ আৰু সতী ৰাধিকা আইমাতৃ সেৱা সমাজ, অসমৰ যুগ্ম সমাৰোহ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট বক্তাৰূপে উপস্থিত থাকিব বিশিষ্ট কবি, সাহিত্যিক নন্দসিং বৰকলা, বিশিষ্ট চিন্তাবিদ, নিৰন্ধকাৰ ময়ূৰ বৰা, উদ্যোগী শ্যামকানু মহন্ত আৰু অকণিৰ নামঘৰ (গুৱাহাটী)ৰ প্ৰতিষ্ঠাপক আৰতি দাস। আনহাতে আবেলি ১ বজাত এখন মুকলি সভা অনুষ্ঠিত হ'ব। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মা। স্মৃতিগ্ৰন্থ খন সভাতে মুখ্যমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিক ভাৱে উন্মোচন কৰিব। সন্ধিয়া বন্তি প্ৰজ্বলন, গুণমালা কীৰ্ত্তন আৰু নিশা ৯ বজাৰ পৰা মহাপালনাম কীৰ্ত্তন আৰম্ভ হ'ব। ১২ মাৰ্চৰ পুৱা মহাপালনাম সামৰণিৰ পাছতে ৮ বজাত ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হ'ব। আবেলি থিয়নাম, দিহানাম আৰু চৈতন্য পন্থী সমাজৰ সংকীৰ্ত্তন আৰম্ভ হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব আৰু নিশা স্থানীয় পুৰুষ শিল্পীসকলে মঞ্চস্থ কৰিব অংকীয়া নাট 'শকুনিৰ প্ৰতিশোধ'। অন্তিম দিনা অৰ্থাৎ ১৩ মাৰ্চৰ পুৱা ৯ বজাত শৰণ ভজন আৰু মালাবস্তু প্ৰদান শিবিৰ আৰু আবেলি ধৰ্মধ্বজা অৱতৰণেৰে সোণালী জয়ন্তী মহোৎসৱৰ সামৰণি পৰিব।

# তিলানাত নাৰী দিৱস উদযাপন

**ই-সংবাদ, ০৮ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি নলবাৰী জিলাৰ বাঁহজানীৰ তিলানাত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। গ্ৰামীণ বিকাশ সংস্থা আৰু মূলা গাভৰু-এক নাৰী কণ্ঠৰ উদ্যোগত দিনৰ এঘাৰ বজাৰ পৰা গ্ৰামীণ বিকাশ সংস্থাৰ সভাপতি অমূল্য চক্ৰৱৰ্তীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত নাৰী দিৱসৰ বিস্তৃত তাৎপৰ্য উল্লেখ কৰে মূলাগাভৰু-এক নাৰী কণ্ঠৰ মুখ্য উপদেষ্টা ৰঞ্জিত দাসে। সভাত তিলানা এম.ই স্কুলৰ প্ৰধান শিক্ষক নিৰ্মল শৰ্মা, সাংবাদিক মেৰাজুল হুছেইন কাজি আৰু বিশিষ্ট অভিনেতা, সমাজকৰ্মী ধীৰেণ কুমাৰ বৰ্মন উপস্থিত থাকে। নাৰী দিৱসৰ ওপৰত আলোক পাত কৰি নাৰীৰ সৱলীকৰণত গুৰুত্ব প্ৰদান কৰে। সভাতে সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী কবিতা ডেকাতালুকদাৰ আৰু অৱসৰী শিক্ষয়িত্ৰী মনোৰমা দেৱীক বিশেষ ভাবে সম্বৰ্ধনা জনায়। মূলা গাভৰুৰ সভানেত্ৰী মনোৱাৰা বেগমে উদ্দেশ্য বাখ্যা কৰা সভাত বীনু দেৱীৰ বাঁহী বাদনে সকলোকে আপ্লুত কৰে। অনুষ্ঠানটো পৰিচালনা কৰে মূলা গাভৰুৰ নেত্ৰী, শিক্ষয়িত্ৰী বন্দিতা কৃষ্ণাত্ৰেয়ই!

## বিপিএফৰ নেতা খাম্পা বৰগয়াৰীৰ সংবাদমেল

# বিপিএফে কংগ্ৰেছৰ সতে আলোচনাত বহা কথাটো ভিত্তিহীন



**ই-সংবাদ, কোকৰাঝাৰ, ৮মাৰ্চঃ** কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে বিপিএফৰ তিনিজনীয়া পেনেলৰ পৰা শেষমুহূৰ্তত কোনে প্ৰাৰ্থীত্ব লাভ কৰিব তাকে লৈ জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে আজি বিপিএফৰ উপ-সভাপতি তথা বিটিচিৰ প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰীয়ে কোকৰাঝাৰত এক সংবাদমেল সম্বোধন কৰি তেওঁৰেই প্ৰাৰ্থীত্ব লাভ কৰিব বুলি দাবী কৰিছে। কোকৰাঝাৰৰ নিজ বাসগৃহত আয়োজিত হোৱা এক সংবাদমেলত খাম্পা বৰগয়াৰীয়ে কয় যে নিৰ্বাচন আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছতে বিপিএফে প্ৰাৰ্থী ঘোষণা কৰিব। তিনিজনীয়া পেনেল লিষ্টৰ ভিতৰত তেওঁৰ নামটোৱে চুড়ান্ত হ'ব। বিপিএফে কোকৰাঝাৰ লোকসভা সমষ্টি আৰু দৰং- ওদালগুৰী লোকসভা সমষ্টিত প্ৰাৰ্থী প্ৰদান কৰিব আৰু দুয়োটা সমষ্টিতে বিজয়ী হ'ব বুলি মন্তব্য কৰি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিৰোধী দলে অপপ্ৰচাৰত লিপ্ত হোৱা বুলি অভিযোগ কৰে। নিৰ্বাচনত ইউপিপিএল বিপিএফৰ বাবে কোনো ফেক্টৰ নহয় বুলি দাবী কৰি বিপিএফে কংগ্ৰেছৰ সতে মিত্ৰতাৰ বাবে আলোচনাত বহা কথাটোও ভিত্তিহীন বুলি দাবী কৰিছে। বিপিএফ দলক ক্ষতি কৰাৰ বাবে বিপিএফৰ বিৰোধীয়ে কংগ্ৰেছৰ সতে বিপিএফে মিত্ৰতা কৰা বুলি মিছা অপ্ৰচাৰত চলাইছে৷ বিপিএফে বিজেপি, কংগ্ৰেছ কাৰো সতেই মিত্ৰতা নকৰে আৰু লোকসভা নিৰ্বাচন বিপিএফ দল অকলেই খেলিব বুলি মন্তব্য কৰিছে খাম্পা বৰগয়াৰীয়ে। সংবাদমেলত ইউপিপিএল দলক সমালোচনা কৰি খাম্পা বৰগয়াৰীয়ে কয় যে ইউপিপিএলে বহু নতুন আঁচনিলোৱা বুলি কয় কিন্তু কাৰ্যত ৰাইজৰ হকে একো কাম কৰা নাই। তেওঁ কয়, ইউপিপিএল চৰকাৰে বিগত সময়ছোৱাত এখনো স্কুল-কলেজ নিৰ্মান নকৰিলে। কৃষকৰ বাবে পানীযোগান আঁচনি নবনালে, ৰাস্তা-দলং নবনালে। নতুন ৰাস্তা বাদেই দিয়ক বিপিএফ চৰকাৰে বনোৱা ৰাস্তাসমুহো বৰ্তমানৰ চৰকাৰে মেৰামতি কৰিব নোৱাৰিলে। বিপিএফৰ দিনত যি উন্নয়ন হৈছিল সেইখিনিয়ে আছে বুলি মন্তব্য কৰি তেওঁৰ সমষ্টিত বৰ্তমান চৰকাৰে সম্পন্ন কৰা নতুন কাম দেখুৱাই দিবলৈ প্ৰত্যাহ্বান জনাইছে খাম্পা বৰগয়াৰীয়ে। ইপিনে নিৰ্বাচনৰ পূৰ্বে খাম্পা বৰগয়াৰীক এগৰাকী মহিলাৰে সৈতে জড়িত কৰি নাৰী কেলেংকাৰী কৰা বুলি এটা ভিডিঅ' ভাইৰেল হোৱাত আজি খাম্পা বৰগয়াৰীয়ে নিজ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। খাম্পা বৰগয়াৰী কয় যে উক্ত ভিডিঅ'টো এটা ৰেব যোগে সম্প্ৰচাৰিত হৈছে আৰু তেওঁ মানহানিৰ গোচৰ তৰিছে। উক্ত গোকাট মিছা ভিডিঅ'টোৰে তেওঁৰ মান-সন্মান আৰু সামাজিক ভাৱমুৰ্তি বিনষ্ট কৰিছে বুলি মন্তব্য কৰি তেওঁৰ প্ৰতি যাতে কাৰো কণমানো সন্দেহ নাথাকে তাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনাইছে।

# শেষ পৃষ্ঠা

**ৰোহিত-শুভমনৰ শতক**

## চালকৰ আসনত ভাৰত

**ধৰমশালা, ৮ মাৰ্চঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলা পঞ্চম টেষ্টৰ দ্বিতীয় দিনাই টীম ইণ্ডিয়াই চালকৰ আসন দখল কৰিছে। ইংলেণ্ডৰ প্ৰথম ইনিংছৰ ২১৮ ৰানৰ প্ৰত্যুত্তৰত ৰোহিত শৰ্মি আৰু শুভমন গিলৰ শতকৰ সহায় ভাৰতে দ্বিতীয় দিনা ১২০ অভাৰত আঠটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ৪৭৩ ৰান। হাতত দুটা উইকেট থকা অৱস্থাত টীম ইণ্ডিয়াই ২৫৫ ৰানৰ বৃহৎ অগ্ৰগতি লাভ কৰিছে। ৰোহিতে ১০৩, শুভমনে ১১০ ৰান সংগ্ৰহ কৰে। ইয়াৰ উপৰিও অভিষেককাৰী দেৱদুত পাদিকাৰে ৬৫, চৰফৰাজ খানে ৫৬ ৰানৰ বৰঙণি যোগায়। দিনান্তত কুলদীপ যাদৱে ২৭ আৰু যশপ্ৰীত বুমৰাহে ১৯ ৰানত বেটিং কৰি আছে। ইংলেণ্ডৰ সফল বলাৰ চোৱায়েব বাছিৰ। তেওঁ চাৰিটা আৰু টম হাৰ্টলেই লাভ কৰে দুটা উইকেট। ইয়াৰ পূৰ্বে কালিৰ এক উইকেটত ১৩৫ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰে টীম ইণ্ডিয়াই। কালিৰ দুই অপৰাজিত বেটাৰ ৰোহিত আৰু শুভমনে শতৰান কৰে। তেওঁলোক দুয়োজনে দ্বিতীয় উইকেটত ১৭১ ৰানৰ যুটি বান্ধি দলৰ ভেটি মজবুত কৰে। উল্লেখ্য যে পাঁচখন মেছৰ শৃংখলাটোৰ প্ৰথমখন খেলত পৰাস্ত হোৱাৰ পিছত ভাৰতে একেৰাহে তিনিখন টেষ্টত জয়লাভ কৰি ইতিমধ্যে ছিৰিজ জয় কৰিছে।

## সিন্ধুৰ বিদায়, ছাত্বিক-চিৰাগ ছেমিত

**পেৰিছ, ৮ মাৰ্চঃ** ফ্ৰেন্স অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডব'লছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ছাত্বিকচাইৰাজ ৰংকাৰেড্ডী আৰু চিৰাগ চেট্টীয়ে। ভাৰতীয় যুটিটোৱে কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ কিত্তিনোপং কেদ্ৰেন আৰু চুপাক জমকহক ২১-১৯, ২১-১৩ ত পৰাজিত কৰে। ইফালে মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বিদায় মাগিছে ভাৰতৰ তৰকা মহিলা শ্বাটলাৰ পি ভি সিন্ধু।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

# পথত নামাজ আদায় কৰা মুছলমানৰ ওপৰত নিৰ্মম অত্যাচাৰ আৰক্ষী-প্ৰশাসনৰ

**ই-সংবাদ, ৮মাৰ্চঃ** পথৰ ওপৰত নামাজ আদায় কৰা মুছলমানৰ ওপৰত নিৰ্মম আচৰণ আৰক্ষীৰ। দিল্লীৰ ইন্দ্ৰলোক অঞ্চলৰ পৰা পোহৰলৈ অহা এই ঘটনাৰ ভিডিঅ' ইতিমধ্যে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমত। পথৰ ওপৰত নামাজ আদায় কৰা মুছলমানক চৰ-গোৰ শোধোৱা আৰক্ষীৰ কাণ্ডৰ বিৰুদ্ধে ঘটনাস্থলীতে একাংশ লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। উপস্থিত লোকে আৰক্ষীৰ এনে বৰ্বৰ কাণ্ডৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ঘটনাৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পিছতে অভিযুক্ত আৰক্ষী বিষয়াৰ তাৎক্ষণিকভাৱে নিলম্বন কৰা হৈছে। অভিযোগ অনুসৰি, দিল্লীৰ ইন্দ্ৰলোক অঞ্চলত পথৰ ওপৰতে একাংশ মুছলমান লোকে আজি শুকুৰবৰীয়া নামাজ আদায় কৰিছিল। সেই সময়ত দিল্লী আৰক্ষীয়ে নামাজ আদায় কৰা মুছলমান সকলক তাৰ পৰা আঁতৰাবলৈ প্ৰয়াস কৰি এজন আৰক্ষীয়ে লাথ-চোৰ শোধাবলৈ আৰম্ভ কৰে। ইয়াৰ পিছতে উপস্থিত লোকসকলে উভতি ধৰে আৰক্ষীক। স্থানীয় লোকসকলে আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হোৱাৰ পিছতে নৰ্থ দিল্লীৰ ডিচিবি মনোজ মীনাই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। সমান্তৰালভাৱে অভিযুক্ত অৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা তাৎক্ষণিকভাৱে তেওঁক নিলম্বন কৰা হৈছে বুলিও জানিবলৈ দিয়ে ডিচিপি মীনাই। আৰক্ষী বিষয়াগৰাকীয়ে ৰাইজক শান্তি বজাই ৰাখিবলৈ আহ্বান জনাই অভিযুক্ত আৰক্ষী জোৱানজনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ৰাইজক আশ্বাস দিয়াৰ পিছতহে পৰিস্থিতি শান্ত হয়।

এইবাৰ নতুন ৰূপত আপোনাৰ গাইডেন্স
গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতি আৰু নতুন উদ্যমেৰে আপোনাৰ পদূলি গাইডেন্স
GUIDANCE SENIOR SECONDARY SCHOOL
২০২৪-২৫ শিক্ষাবৰ্ষ নামভৰ্ত্তি চলি আছে
অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ
Run by:- HDSW Society
An Institute of Quality Education
Salient Features
- Well Trained Qualified Teachers.
- Healthy & Peaceful Environment.
- Scholarship for Meritonious Students.
- Transport Facility.
- PD & Spoken English.
- Free Health Chek up.
- Free Computer Education.

প্ৰতিটো ক্লাছত আসন মাত্ৰ ৩০
Murajhar (Ruhini Pathe) Hojai 8876310103 / 9678015016

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান